জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৪৭/২০২৩**

# বিশিষ্ট শিল্পী উমাকান্ত বৈৰাগীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৬ জুলাই ঃ** বিশিষ্ট শিল্পী উমাকান্ত বৈৰাগীৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ লোক সংগীতৰ বিকাশৰ বাবে উমাকান্ত বৈৰাগীয়ে আগবঢ়াই যোৱা বৰঙণি সদায়ে স্মৰণীয় হৈ ৰ'ব। এইগৰাকী শিল্পীয়ে ৰাজ্যখনৰ লগতে দেশৰ অন্য প্ৰান্তত টোকাৰী গীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত উল্লেখযোগ্য বৰঙণি যোগাই যায়। তেখেতে বহুসংখ্যক গীত ৰচনা কৰি সৃষ্টিশীলতাৰ পৰিচয় দাঙি ধৰিছিল। শিল্পীগৰাকীৰ বিয়োগ আমাৰ সাংস্কৃতিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে বিশিষ্ট শিল্পীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২৬/০৭/২০২৩.**